জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৯১/২০২০

## অসম বিধানসভাৰ প্ৰাক্তন উপাধ্যক্ষ, প্ৰাক্তন সাংসদ, সোণাৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক ভদ্ৰেশ্বৰ বুঢ়াগোহাঁইৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভাৰ প্ৰাক্তন উপাধ্যক্ষ, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, সোণাৰি বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক, ঐতিহাসিক অসম আন্দোলনৰ সক্ৰিয় কৰ্মী, বিশিষ্ট অধিবক্তা ভদ্ৰেশ্বৰ বুঢ়াগোহাঁইৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ভদ্ৰেশ্বৰ বুঢ়াগোহাঁয়ে ৰাজ্যখনৰ ৰাজনৈতিক আৰু সমাজ জীৱনলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসম বিধানসভাৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰা প্ৰয়াত বুঢ়াগোহাঁয়ে ৰাজ্যসভাৰ সাংসদ হিচাপে উচ্চ সদনৰ মজিয়াত ৰাজ্যখনক বলিষ্ঠৰূপত প্ৰতিনিধিত্ব কৰিছিল। সোণাৰি সমষ্টিৰ বিধায়ক হিচাপে বিধানসভালৈ নিৰ্বাচিত হৈ প্ৰয়াত নেতাগৰাকীয়ে সমষ্টিটোৰ সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰতো ইতিবাচক ভূমিকা পালন কৰি গৈছে। প্ৰয়াত বুঢ়াগোহাঁই ঐতিহাসিক অসম আন্দোলনৰো এগৰাকী সক্ৰিয় কৰ্মী আছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা হিচাপেও সেৱা আগবঢ়োৱা প্ৰয়াত বুঢ়াগোহাঁয়ে অঞ্চলটোৰ বিভিন্ন সামাজিকঅনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতেও ওতঃপ্ৰোতভাৱে জড়িত থাকি সেই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ উত্তৰণৰ দিশতো সক্ৰিয় ভূমিকা পালন কৰি গৈছে। তেখেতৰ মৃত্যু ৰাজ্যখনৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ভদ্ৰেশ্বৰ বুঢ়াগোহাঁইৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ**
২৭/০২/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in